www.newsnextone.com
e সংবাদ

**পৰ্যটকৰ বাবে কাজিৰঙা মুকলি**
ই-সংবাদ, কাজিৰঙা, ১ অক্টোবৰঃ ৰাজ্যৰ দুখনকৈ ৰাষ্ট্ৰীয় উদ্যান আজি পৰ্যটনৰ বাবে ২ পৃষ্ঠাত চাওক

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, OCTOBER 02, 2024 ■ বুধবাৰ।। ১৫ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৭০ Guwahati, Assam ।। মূল্যঃ এটকা

## শান্তিপূৰ্ণ সমদলতো বাধা প্ৰদান, ৰাহুল গান্ধীৰ তীব্ৰ প্ৰতিবাদ

# দিল্লী পোৱা মাত্ৰকে ছোনম ৱাংচুকক আটক



পদব্ৰজে সমদল কৰি দিল্লী পোৱাৰ পিছতে ছোনম ৱাংচুকক সহযোগীসহ আটক, ইনছেটত ৱাংচুক

**লাডাখ, ১ অক্টোবৰঃ** পুঁজিপতিৰ আগ্ৰাসনে ভয়ংকৰ ভৱিষ্যত সংকটৰ সৃষ্টি কৰা লাডাখলৈ চকু নাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বা কেন্দ্ৰীয় চৰকাৰৰ। ছোনম ৱাংচুকৰ দৰে প্ৰসিদ্ধ জলবায়ু কৰ্মী আৰু স্থানীয় লাডাখবাসীৰ এই ধাৰাবাহিক শান্তিপূৰ্ণ প্ৰতিবাদলৈও কেৰেপ নকৰা নৰেন্দ্ৰ মোদী শেষাংশ ২ পৃষ্ঠাত

## মোদী অহাৰ পূৰ্বেও কাজিৰঙালৈ আহিছিল দুগৰাকী প্ৰধানমন্ত্ৰী!

**ই-সংবাদ, ১ অক্টোবৰঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক লৈ বিজেপিয়ে মিছাৰ আশ্ৰয় লোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অসম প্ৰদেশ কংগ্ৰেছে। বিজেপিয়ে কাজিৰঙা ৰাষ্ট্ৰীয় শেষাংশ ৩ পৃষ্ঠাত

### জীৱন্তে অগ্নিদগ্ধ ২৫ শিক্ষাৰ্থী

## স্কুল বাছত ভয়াৱহ অগ্নিকাণ্ড

**বেংকক, ১ অক্টোবৰঃ** চলি থকা অৱস্থাতে স্কুল বাছত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুক সাৱটিলে ২৫ জন কণ কণ শিক্ষাৰ্থীয়ে। হৃদয়বিদাৰক শেষাংশ ৩ পৃষ্ঠাত

## বোমা কাণ্ডৰ তদন্তত সফলতা!

**ই-সংবাদ, ১ অক্টোবৰঃ** বিগত স্বাধীনতা দিৱসৰ দিনটোত নিষিদ্ধ ঘোষিত বিদ্ৰোহী সংগঠন আলফা স্বাধীনে ৰাজ্যখনৰ ২৫টা স্থানত বোমা সংস্থাপন শেষাংশ ৩ পৃষ্ঠাত

## নেটৱৰ্ক বেয়া! সেয়ে মন্থৰ বিজেপিৰ সদস্যভৰ্তি অভিযানঃ হিমন্ত বিশ্ব



**ই-সংবাদ, ১ অক্টোবৰঃ** সমগ্ৰ দেশজুৰি বিজেপিৰ ডিজিটেল সদস্যভৰ্তি অভিযান অব্যাহত আছে। অসমতো বিজেপিয়ে সদস্যভৰ্তি অভিযান অব্যাহত ৰাখিছে। অসমত শেষাংশ ৪ পৃষ্ঠাত

## ৩ কেন্দ্ৰীয় মন্ত্ৰীক ৰকিবুলৰ স্মাৰক পত্ৰ

**ই-সংবাদ, ১ অক্টোবৰঃ** লোকসভাৰ অধিৱেশন চলি থকা নাই যদিও দিল্লীত ব্যস্ত ধুবুৰীৰ সাংসদ তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰকিবুল হুছেইন। দিল্লীত শেষাংশ ৩ পৃষ্ঠাত

## ৫৬ বছৰ পিছত উদ্ধাৰ অক্ষত ৪ মৃতদেহ

**ছিমলা, ১ অক্টোবৰঃ** হিমাচল প্ৰদেশত সুদীৰ্ঘ ৫৬ বছৰৰ পিছত বৰফৰ বুকুৰ পৰা উদ্ধাৰ হ'ল চাৰিটা অক্ষত মৃতদেহ। ১৯৬৮ চনতে সংঘটিত এক বিমান দুৰ্ঘটনাৰ পিছত সন্ধানহীন হৈ থকা চাৰিজন যাত্ৰীৰ মৃতদেহ অৱশেষত উদ্ধাৰ হৈছে হিমাচলৰ ৰ'টাং পাছৰ বৰফৰ তলৰ পৰা। উল্লেখ্য যে, ১৯৬৮ চনৰ ৭ ফেব্ৰুৱাৰীত ১০২ জন যাত্ৰীসহ চণ্ডীগড়ৰ পৰা উৰা মাৰিছিল বায়ুসেনাৰ এখন এএন-১২ বিমান। কিন্তু প্ৰতিকূল বতৰৰ বাবে হিমাচলৰ ৰ'টাং পাছৰ শেষাংশ ৪ পৃষ্ঠাত



কাজিৰঙাৰ ২০২৪-২৫ বৰ্ষৰ পৰ্যটন বৰ্ষ মুকলিৰ দিনটোত এনেদৰে দেখা গ'ল তিনি মন্ত্ৰী অতুল বৰা, চন্দ্ৰমোহন পাটোৱাৰী আৰু কেশৱ মহন্তক মঙলবাৰে

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লী পোৱা মাত্ৰকে ছোনম

এইবাৰ নামি পৰিল প্ৰতিবাদেই নিঃশেষ কৰাত। লাডাখক ষষ্ঠ অনুসূচীৰ মৰ্যাদা প্ৰদান কৰাৰ দাবীৰে ৰাজধানী দিল্লীলৈ সমদল কৰা জলবায়ু কৰ্মী তথা প্ৰখ্যাত বিজ্ঞানী ছোনম বাংচুকৰ লগতে লাডাখৰ প্ৰায় ১২০ গৰাকী লোকক দিল্লী সীমান্তত আটক কৰে দিল্লী আৰক্ষীযে। দিল্লী আৰক্ষীৰ সূত্ৰ অনুসৰি ৱাংচুককে ধৰি আটক কৰা লোকসকলক আলিপুৰৰ লগতে মহানগৰীৰ সীমান্তৱৰ্তী অন্যান্য থানালৈ লৈ যোৱা হৈছে। দিল্লী আৰক্ষীয়ে জনোৱা মতে, দিল্লীৰ সীমান্তত ১৬৩ বিএনএছ ধাৰা জাৰি কৰা হৈছে। আৰক্ষীৰ এগৰাকী বিষয়াই প্ৰকাশ কৰা মতে, দিল্লীৰ সীমান্তত নিশাটো পাৰ কৰিব বিচাৰিছিল ছোনম বাংচুক আৰু আন আন লোকসকলে। কিন্তু দিল্লীত নিষেধাজ্ঞাৰ বাবে প্ৰথমে তেওঁলোকক উভতি যাবলৈ কোৱা হয় যদিও যেতিয়া তেওঁলোকে সীমান্তৰ পৰা উভতিবলৈ অস্বীকাৰ কৰে, তেতিয়া সীমান্তত নিয়োজিত আৰক্ষীয়ে ৱাংচুককে ধৰি প্ৰায় ১২০ জন লোকক আটক কৰে। সোমবাৰে নিশা ৱাংচুক আৰু তেওঁৰ সমৰ্থকসকলক সিংঘু সীমান্তত আটক কৰি ৰখা হয়। উল্লেখ্য যে, ৱাংচুক আৰু তেওঁৰ সমৰ্থকসকলে লেহৰ পৰা নতুন দিল্লীলৈ পদযাত্ৰা কৰি লাডাখৰ নেতাসকলক তেওঁলোকৰ দাবীক লৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে পুনৰ আলোচনা আৰম্ভ কৰিবলৈ আহ্বান জনাইছিল। ছ২চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত তেওঁলোকক দিল্লী সীমান্তত আটক কৰাৰ কথা সদৰী কৰি ৱাংচুকে লিখিছে, 'দিল্লী সীমান্তত আন ১৫০ গৰাকী পদযাত্ৰীৰ সৈতে মোক শ শ আৰক্ষী বাহিনীয়ে আটক কৰি ৰাখিছে। আমাৰ লগত বহুত বৃদ্ধ, মহিলা আছে। কি হ'ব আমি নাজানো। বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ দেশত আমি বাপুৰ সমাধিলৈ শান্তিপূৰ্ণ পদযাত্ৰা কৰিছিলো... হে ৰাম!' ইফালে ছোনম ৱাংচুক আৰু লাডাখৰ প্ৰতিবাদী জনতাক দিল্লী আৰক্ষীৰ দ্বাৰা আটক কৰা কাৰ্য্যক তীব্ৰ ভাষাৰে নিন্দা কৰে লোকসভাৰ বিৰোধী সাংসদ ৰাহুল গান্ধীয়ে। এই কাৰ্য্যক 'অগ্ৰহণযোগ্য' বুলি অভিহিত কৰি ৰাহুল গান্ধীয়ে এক পোষ্টযোগে কয় যে পৰিৱেশ আৰু সাংবিধানিক অধিকাৰৰ বাবে শান্তিপূৰ্ণভাৱে পদযাত্ৰা কৰি থকা ছোনম ৱাংচুক আৰু শতাধিক লাডাখৰ নিৱাসীক আটক কৰাটো মানি ল'ব নোৱাৰি। অন্যহাতে লাডাখৰ প্ৰতিবাদীক দিল্লীৰ সীমান্তত আটক কৰা কাৰ্য্যক লৈ প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধেও সৰৱ হৈ পৰে ৰাহুল গান্ধী। তেওঁ কয়, 'লাডাখৰ ভৱিষ্যতৰ বাবে থিয় দিয়াৰ বাবে দিল্লী সীমান্তত বৃদ্ধ নাগৰিকক কিয় আৱদ্ধ কৰি ৰখা হৈছে? মোদী জী, খেতিয়কসকলে যিদৰে কৰিছিল, এইবাৰো এই 'চক্ৰবেহু' ভাঙিব, লগতে ভাঙিব আপোনাৰ অহংকাৰো। লাডাখৰ কণ্ঠ শুনিবই লাগিব।' ৰাহুল গান্ধীৰ লগতে বিৰোধী আন নেতাসকলেও ছোনম ৱাংচুকক এনেদৰে আৰক্ষীয়ে আটক কৰা কাৰ্যক নিন্দা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পৰ্যটকৰ বাবে কাজিৰঙা

মুকলি কৰা হয়। বিশ্ব ঐতিহ্য ক্ষেত্ৰ এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰা হয়। আজি পুৱা কাজিৰঙাৰ বাগৰি বনাঞ্চলত অনুষ্ঠিত কৰা বিশেষ অনুষ্ঠানযোগে বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আনুষ্ঠানিকভাবে মুকলি কৰা হয়। কাজিৰঙা সাংসদ কামাখ্যা প্ৰসাদ তাছা, মন্ত্ৰী অতুল বৰা, কেশৱ মহন্তৰ উপস্থিতিত ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰাৰ পাছতে জীপ ছাফাৰী কৰে ভ্ৰমণ কৰে পৰিলক্ষিত হয়। তাৰ লগতে ওৰাং ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰা হয়। ২০২৪-২৫ পৰ্যটন বৰ্ষৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। আজি প্ৰথম দিনটোতে দুয়োখন ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটক দেখা যায়। আজিৰে পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চললৈ দেশী-বিদেশী পৰ্যটক আহিব পাৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত এশিঙীয়া গড়ৰ বাবে বিখ্যাত। পৰ্যটকে মূলত গঁড় চোৱাৰ হেঁপাহ লৈ আহে। বিগত পৰ্যটন বৰ্ষত অভিলেখসংখ্যক পৰ্যটকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰিছিল। ২০২৩-২৪ পৰ্যটন বৰ্ষত ৩ লাখ ২৭ হাজাৰ ৪৯৩ গৰাকী পৰ্যটকৰ আগমণ ঘটিছিল। বিদেশী পৰ্যটক আহিছিল ১৩ হাজাৰ ৯১৯ গৰাকী। এইবাৰ কাজিৰঙাৰ বন্যপ্ৰাণী উদ্ধাৰৰ বাবে ইণ্ডিয়ান অইলে প্ৰদান কৰা বিক'ভাৰী ভানখন আজি অইলে কৰ্তৃপক্ষক হস্তান্তৰ কৰে। লগতে কাজিৰঙাক লৈ ছপা কৰি উলিওৱা গ্ৰন্থখন উন্মোচন কৰা হয়। লগতে আজি থলুৱা উৎপাদিত সামগ্ৰীৰ বিপণন কেন্দ্ৰ 'ইক শ্বপ' আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। জীপ ছাফাৰী, হাতী ছাফাৰীৰ লগতে এইবাৰ পৰ্যটকৰ সুবিধাৰ বাবে কাজিৰঙাত হাইকিং, ট্ৰেকিং, পক্ষী নিৰীক্ষণ, চাইক্লিংৰ ব্যৱস্থা থাকিব। ইফালে আজিৰ উদ্বোধনী অনুষ্ঠান এখন বিশেষ ৰিজৰ্টৰ বাবে কৰা হৈছে বুলিও চৰ্চা চলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩ কেন্দ্ৰীয় মন্ত্ৰীক ৰকিবুলৰ

ধুবুৰী সংসদীয় সমষ্টিৰ সমস্যা সমাধানৰ দাবীত কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ কৰি স্মাৰক পত্ৰ প্ৰদান কৰে। ৰকিবুল হুছেইনে আজি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চিআৰ পাটিলক সাক্ষাৎ কৰে। ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ আই নদীৰ গৰাখহনীয়া ৰোধৰ বাবে ৩৪৫ কোটি টকীয়া আঁচনিৰ কাম তৎপৰতাৰে কৰাৰ দাবী জনায়। বিশ্ব বেংকৰ সাহায্যৰে দ্বিতীয় পৰ্যায়ত অন্তৰ্ভুক্ত কৰি গৰাখহনীয়া ৰোধৰ বাবে ভাৰত চৰকাৰৰ জলশক্তি মন্ত্ৰী চিআৰ পাটিলক সাক্ষাৎ কৰি স্মাৰক পত্ৰ প্ৰদান কৰে। একেটা দিনতে ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত পঞ্চৰত্ন-মানকাচৰ সংযোগী পথটোক ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণলৈ উন্নীত কৰি নিৰ্মাণ কৰিবলৈ কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰিক স্মাৰকপত্ৰ প্ৰদান কৰে হুছেইনে। আনহাতে, ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তত এটি বাণিজ্যিক কেন্দ্ৰ স্থাপন কৰিবলৈ কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্যিক মন্ত্ৰী পিয়ূষ গোৱেলক স্মাৰকপত্ৰ প্ৰদান কৰে হুছেইনে। তিনি কেন্দ্ৰীয় মন্ত্ৰীক স্মাৰক পত্ৰ প্ৰদানৰ সময়ত বিধায়ক আব্দুল বাতিন খণ্ডকাৰ আৰু বিধায়ক ৰশ্বিদ আলম উপস্থিত আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী অহাৰ পূৰ্বেও কাজিৰঙালৈ

উদ্যানলৈ প্ৰধানমন্ত্ৰী হিচাপে কেৱল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীহে আহিছে বুলি দাবী প্ৰকাশ কৰা এক বিজ্ঞাপনক প্ৰত্যাহ্বান জনাইছে কংগ্ৰেছে। বিজেপিয়ে কৰা দাবীক মিছা আখ্যা দি অসম প্ৰদেশ কংগ্ৰেছে কয় যে কেৱল এজন নহয় কংগ্ৰেছৰ দুজনকৈ নেতা প্ৰধানমন্ত্ৰী হৈ থকাৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰি নৈশ যাপন কৰিছিল। অসম প্ৰদেশ কংগ্ৰেছ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই বিজেপিক উভতি ধৰি কয় যে যিকোনো দাবী কৰাৰ পূৰ্বেই বিজেপি দলটোক আমি অতীত ইতিহাস জানি ল'বলৈ আহ্বান জনাইছো। বেদব্ৰত বৰাই দিয়া এক বিবৃতিত কয়, “কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰিবলৈ দেশৰ অন্যতম এগৰাকী প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়া ১৯৮৮ চনৰ জুন-জুলাই মাহত অসমলৈ আহিছিল। পত্নী ছোনিয়া গান্ধীৰ সৈতে সেই সময়ৰ কেন্দ্ৰীয় মন্ত্ৰী সন্তোষ মোহনদেৱক লগত লৈ তদানীন্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰিছিল। নিজেই গাড়ী চলাই তেখেতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰলৈ গৈছিল। কাজৰিঙা ৰাষ্ট্ৰীয় উদ্যানৰ জৈৱ বৈচিত্ৰ্যতা দেখি তেখেত অভিভূত হৈ পৰিছিল।” বৰাই সেই সময়ত কাৰ চৰকাৰ আছিল আৰু কাজিৰঙা উদ্যানৰ সঞ্চালক কোন সেই তথ্য প্ৰদান কৰি কৰি কয় যে সেই সময়ত অসমত অগম গণ পৰিষদ দলৰ চৰকাৰ আছিল। সেইসময়ত কাজিৰঙাৰ সঞ্চালক হিচাপে আছিল সোণাধৰ দলে। তেওঁ আৰু কয়, "কংগ্ৰেছ দলে এটা কথা প্ৰত্যক্ষ কৰিছে যে আজি কেবাখনো বাতৰি কাকতত অসম চৰকাৰে নৰেন্দ্ৰ মোদীয়েই কাজিৰঙা পৰিদৰ্শন কৰা দেশৰ একমাত্ৰ প্ৰধানমন্ত্ৰী বুলি উল্লেখ কৰি বিজ্ঞাপন প্ৰকাশ কৰিছে। এয়া সম্পূৰ্ণৰূপে অসত্য কথা।” কংগ্ৰেছ নেতাগৰাকীৰ মতে, ৰাজীৱ গান্ধীয়ে মোদীৰ পূৰ্বেই নিজে গাড়ী চলাই কাজিৰঙা পৰিদৰ্শন কৰাৰ লগতে নিশাও কটাইছিল। সেই সময়ত অসমত প্ৰৱল বানপানী হৈছিল। কাজিৰঙাৰ জীৱ-জন্তুবোৰৰ বিপদ দেখি তেখেতে বন বিভাগৰ বিষয়াসকলৰ লগত আলোচনা কৰি ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত হাইলেণ্ড নিৰ্মাণ কৰাৰ এক পৰামৰ্শ আৰু দিছিল আৰু তাৰবাবে পুঁজিৰ ব্যৱস্থাও কৰি দিছিল। অকল সেয়াই নহয়, ৰাজীৱ গান্ধী প্ৰধানমন্ত্ৰী হৈ থকা সময়তে কাজিৰঙাই ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰিছিল। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱহাৰলাল নেহৰুৱেও কাজিৰঙা ভ্ৰমণ কৰাৰ তথ্যও সদৰী কৰে কংগ্ৰেছ নেতাগৰাকীয়ে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাজিৰঙা ভ্ৰমণ সম্পৰ্কে আজি কেবাখনো ছপা বাতৰি কাকতত অসম চৰকাৰে বিজ্ঞাপন প্ৰকাশ কৰিছিল। উক্ত বিজ্ঞাপনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাজিৰঙা পৰিদৰ্শন কৰা একমাত্ৰ প্ৰধানমন্ত্ৰী বুলি কোৱা হৈছে। ইয়াৰ পিছতে উক্ত বিজ্ঞাপনক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংগ্ৰেছে কয়, "বিজ্ঞাপনেৰে মানুহক বুৰ্বক সজোৱা দিন আৰু নাই। সেয়ে এনেধৰণৰ যিকোনো দাবী কৰাৰ পূৰ্বেই বিজেপি দলটোক আমি অতীত ইতিহাস জানি ল'বলৈ আহ্বান জনাইছো।” উল্লেখ্য যে এইবাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শনৰ বাবে মুকলি কৰোতেও উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এখন বিশেষ বিলাসী ৰিজৰ্টৰ ব্যৱসায়ত সুবিধা হোৱাৰ বাবেই বাগৰি ৰেঞ্জত এনে উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা বুলি সচেতন মহলে অভিযোগ উত্থাপন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্কুল বাছত ভয়াৱহ অগ্নিকাণ্ড

ঘটনা সংঘটিত হৈছে থাইলেণ্ডৰ ৰাজধানী বেংককত। বাতৰি অনুসৰি, বাছখনত অগ্নিকাণ্ড সংঘটিত হোৱাৰ সময়ত আছিল ৫জন শিক্ষকসহ মুঠ ৪৪ জন লোক। দুৰ্ঘটনাত নিহত আটাইকেইজন শিক্ষাৰ্থীৰ বয়স তিনি বছৰৰ পৰা ১৫ বছৰৰ ভিতৰত বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি মঙলবাৰে স্থানীয় সময়ানুসৰি দিনৰ ১২ বজাত সংঘটিত হয় এই ঘটনা। বাছখনৰ চলন্ত অৱস্থাতে প্ৰথমে এটা চকা ফুটি জুইৰ সূত্ৰপাত ঘটে আৰু ক্ৰমান্বয়ে জুইৰ শিখাই সমগ্ৰ বাছখন আগুৰি ধৰে। এই অগ্নিকাণ্ডৰ ফলত ২৫ জন শিক্ষাৰ্থীৰ অগ্নিদগ্ধ হৈ মৃত্যু ঘটে। বাকীসকলক স্থানীয় লোকে ততাতৈয়াকৈ উদ্ধাৰ কৰে। আহত কেইবাজনৰো অৱস্থা সংকটজনক বুলি কোৱা হৈছে। জানিব পৰা মতে, অগ্নিকাণ্ডৰ সময়ত বাছখনেৰে শিক্ষামূলক ভ্ৰমণৰ বাবে গৈ আছিল শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল। পৰিবহণ মন্ত্ৰী সূৰ্য জংগ্ৰুয়েংক্কিয়ে জানিবলৈ দিয়া মতে, বাছখনে উথাই থানীৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল আৰু পৰৱৰ্তী সময়ত বেংককৰ উত্তৰ উপকণ্ঠ অঞ্চল পাথুম থানীত সংঘটিত হয় এই দুৰ্ঘটনা। ঘটনা সন্দৰ্ভত স্থানীয় প্ৰশাসনে তদন্তৰ নিৰ্দেশ দিয়াৰ লগতে ক্ষতিপূৰণো ঘোষণা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বোমা কাণ্ডৰ তদন্তত সফলতা!

কৰিছিল। আলফা স্বাধীনে খোদ টেকনিকেল বিজুতিৰ বাবে বোমাসমূহ নুফুটিল বুলি কৈ মানুহৰ জীৱন-সম্পত্তিৰ স্বাৰ্থত বোমাসমূহ উদ্ধাৰ কৰাৰ আহ্বান জনাইছিল আলফা স্বাধীনে। তাৰ পাছতে অসম আৰক্ষীয়ে অভিযান চলাই প্ৰায় ১৮টা স্থানৰ পৰা সন্দেহজনক সামগ্ৰী উদ্ধাৰ কৰিছিল। অসম আৰক্ষীক প্ৰত্যাহ্বান জনাই ২৫টা স্থানত বোমা স্থাপন কৰা কাৰ্যক সহজে ল'ব পৰা নাছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যত শান্তি-শৃংখলাৰ পৰিৱেশ উভতি অহা বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰাৰ সময়তে ২৫টা স্থানত বোমা সংস্থাপন কৰা হয়। বোমা কাণ্ডৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিছিল অসম আৰক্ষীক। লগে লগে আৰক্ষীয়ে গোচৰ ৰুজু কৰিছিল আৰু এই গোচৰ নিয়াক দিয়া হৈছিল। অসম আৰক্ষী আৰু নিয়াই তদন্ত কৰি ইতিমধ্যে কেইবাগৰাকী লোকক গ্ৰেপ্তাৰ কৰিছে। পুনৰ ২২ ছেপ্টেম্বৰত ১৫ জন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ৩ মহিলাসহ ১৫ গৰাকী লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। যোৰহাটত দুজনক, লখিমপুৰত তিনিজনক, তিনিচুকীয়াত এজনক, শদিয়াত এজনক, ডিব্ৰুগড়ত তিনিজনক, গুৱাহাটীত দুজনক, নগাঁৱত এজনক, নলবাৰীত এজনক আৰু তামুলপুৰত এজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ৰাইজৰ দলৰ প্ৰচাৰ সম্পাদকক গ্ৰেপ্তাৰ কৰা হৈছিল। এই ঘটনাক লৈ আজি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। বোমা কঢ়িওৱা আৰু সংস্থাপন কৰাৰ সন্দেহত গ্ৰেপ্তাৰ কৰা লোকসকলে দায়িত্ব স্বীকাৰ কৰিছে। তেওঁলোকৰ নিশ্চিতভাৱে শাস্তি হ'ব। কিছুমানে বোমা কঢ়িয়াই আনিছিল। আন কিছুমানে সংস্থাপন কৰিছিল। বোমা কঢ়িয়াবৰ বাবে মানুহো হায়াৰ কৰিছিল। এইটো এটা ডাঙৰ নেটৱৰ্ক। নেটৱৰ্ক আমি উলিয়াইছো। সিঙে এনে কাণ্ডত জড়িত হৈ নিজ জীৱন ধ্বংস নকৰিবলৈ আহ্বান জনাই কয় যে অসমলৈ ঘূৰি শান্তি ঘূৰি আহিছে আৰু শান্তি বৰ্তাই ৰাখক। যিখিনি যুৱকে বোমা সংস্থাপন কৰিছিল তাৰ প্ৰায়খিনি অসমত থকা অভাৰগ্ৰাউণ্ড ৱৰ্কাৰ। এনে কাৰ্যৰ পৰা আঁতৰি আহিবলৈ আহ্বান জনাইছো। নিজৰ জীৱনটো নষ্ট কৰিব বিচাৰিছে।

## কংগ্ৰেছৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ হাতত সময়েই সময়

# মূল্যবৃদ্ধি, বিদ্যুৎ বিলক লৈ নিমাত শাসকীয় বিজেপিৰ নেতা

**ই-সংবাদ, ১ অক্টোবৰঃ** ৰাজ্যত এতিয়া মুখ্য সমস্যা হৈছে মূল্যবৃদ্ধি। প্ৰতিবিধ সামগ্ৰীৰ মূল্য বৃদ্ধি হৈছে। দৰিদ্ৰই খাদ্য কিনি খাব নোৱাৰা হৈছে। মিঠাতেল আলু, পিঁয়াজ আদিৰ দাম ৪০ শতাংশ বৃদ্ধি হৈছে। দুৰ্গা পূজাৰ সময়ত আকাশলংঘী মূল্যবৃদ্ধিয়ে ৰাজ্যবাসীক মাধমাৰ শোধাইছে। স্মাৰ্ট মিটাৰৰ বিল ভৰি তত পোৱা নাই নাগৰিকে। সেই সময়তে বিজেপিৰ মন্ত্ৰী-বিধায়কে বিৰোধীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ সময় পাইছে। আজি বিজেপিৰ নেতা তথা মন্ত্ৰী পীযুষ হাজৰিকাৰ নেতৃত্বত মৰিগাঁৱৰ জাগীৰোডত প্ৰায় ৭ ঘণ্টা সময় অতিবাহিত কৰি প্ৰতিবাদ স্যবাস্ত কৰে বিজেপিৰ নেতাই। কেৱল এজন মন্ত্ৰীয়েই নহয়। কেইবাগৰাকী বিধায়কো এই প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে। তাৰ দ্বাৰা এটা কথা প্ৰমাণ হয় যে বিজেপিৰ নেতা-মন্ত্ৰী-বিধায়কৰ নাগৰিকৰ মুখ্য সমস্যা সমাধানৰ বাবে সময় নাথাকিলেও বিৰোধীৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ সময়ৰ অভাৱ নাই। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেৰ পুত্ৰ প্ৰিয়াংক খাৰ্গেৰ এক্সৰ এক পোষ্টে অসমত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। প্ৰিয়াংক খাৰ্গেয়ে বিজেপিৰ নেতা-কৰ্মীয়ে অসমত ছেমি কণ্ডাক্ট প্ৰকল্প স্থাপনৰ বিৰোধিতা কৰা বুলি অভিযোগ আনি হৌজাল-বৌজাল কৰিছিল বিজেপিয়ে। ইমানে নহয় এদিন পূৰ্বে বিৰোধী দল কংগ্ৰেছৰ অসম ৰাজ্যিক সমিতিৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱন ঘেৰাও কৰিবলৈ গৈছিল বিজেপিৰ ভাতৃ সংগঠন যুৱ মৰ্চাই। তাৰ পাছতে আজি জাগীৰোডত মন্ত্ৰী পীযুষ হাজৰিকাৰ নেতৃত্বত কেইবা শ লোকে কংগ্ৰেছৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। মধ্য অসমৰ বিজেপিৰ বিধায়ক ৰমাকান্ত দেউৰী, ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাসৰ উপস্থিতিত বিজেপিৰ নেতা-কৰ্মীয়ে প্ৰতিবাদ জনায়। বিধায়ক দিগন্ত কলিতা, মানৱ ডেকা, হেমাংগ ঠাকুৰীয়াও উপস্থিত থাকে। কংগ্ৰেছ আৰু প্ৰিয়াংক খাৰ্গেৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি ৰাজপথত উত্তাল কৰে। প্ৰতিবাদকাৰী বিজেপিৰ নেতাই কয় যে কৰ্ণাটকৰ মন্ত্ৰী প্ৰিয়াংক খাৰ্গেই অসমৰ জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ বিৰোধ কৰিছে। কিন্তু কংগ্ৰেছে কৈছে যে প্ৰিয়াংক খাৰ্গেয়ে জাগীৰোডৰ ছমিকণ্ডাক্টৰ প্ৰকল্পৰ বিৰোধ কৰা নাই। বিজেপি শাসিত ৰাজ্যত আটাইকেইটা ছেমিকণ্ডাক্টৰ প্ৰকল্প স্থাপন হোৱাতহে প্ৰশ্ন উত্থাপন কৰি কংগ্ৰেছ শাসিত ৰাজ্যত এটাও প্ৰকল্প দিয়া নহ'ল কিয় বুলিহে প্ৰশ্ন কৰিছে। জাগীৰোডৰ বিধায়ক তথা মন্ত্ৰী পীযুষ হাজৰিকাই কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰি কংগ্ৰেছৰ সূতা-কম্বলৰ ৰাজনীতি কৰা বুলি অভিযোগ আনে। কংগ্ৰেছ নেতাক ক্ষমা খোজাৰ দাবী জনাই পীযুষ হাজৰিকাই আৰু কয় যে তেনে মন্তব্য প্ৰদান কৰি অসমবাসীক অপমান কৰা হৈছে। অসমৰ ২৯ হাজাৰ ল'ৰা-ছোৱালীয়ে চাকৰি পাব। অসমৰ ল'ৰাই কিয় চাকৰি পাব, হিমন্ত বিশ্ব শৰ্মাই কিয় চাকৰি দিছে। মোদী ডাঙৰীয়াই উদ্যোগ দিছে। তাৰ বাবে কংগ্ৰেছৰ নেতাসকলৰ পোৰণি হৈছে। সহ্য কৰিব পৰা নাই।

---

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## নেটৱৰ্ক বেয়া! সেয়ে মন্থৰ

অসমত বিজেপিৰ নতুন সদস্যৰ সংখ্যা ৫৩ লাখৰ সীমা অতিক্ৰম কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা বাৰে বাৰে কৈ উৎফুল্লিত হোৱা দেখা গৈছে। সমানে কেন্দ্ৰীয় নেতৃত্বও অসমৰ নেতৃত্বৰ শলাগ লৈছে। কিন্তু উজনি অসমত বিজেপিৰ সদস্য ভৰ্তি অভিযান মন্থৰ বুলি উঠা অভিযোগৰ মাজতে উজনিত তৎপৰ হৈ পৰিছিল দুই কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্যিক মন্ত্ৰীসহ বিজেপিৰ নেতা। শাসনত থকাৰ পাছতো বৰ্তমানেও উজনিৰ কমেও ১০টা সমষ্টিত সদস্যভৰ্তিত উৎসাহ নাই বুলি চৰ্চা চলিছে। সদস্য ভৰ্তি অভিযানৰ মাজতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা, প্ৰাক্তন সাংসদ পল্লৱলোচন দাস, মন্ত্ৰী জয়ন্ত মল্লবৰু আৰু ৰাজ্যিক বিজেপিৰ কেইবাজনো শীৰ্ষ নেতাই বশিষ্ঠস্থিত ৰাজ্যিক কাৰ্যালয়ত বৈঠক অনুষ্ঠিত কৰে। এই বৈঠকত উজনিৰ সদস্যভৰ্তিক লৈ মত বিনিময় কৰা বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰীয়ে বৈঠকৰ অন্তত ৫৩ লাখ সদস্যভৰ্তি সম্পন্ন হৈ যোৱা বুলি দাবী কৰি কয় যে ৰাষ্ট্ৰীয় নেতৃত্বই বান্ধি দিয়া সদস্য ভৰ্তিৰ সীমা অসমত ৮৫ শতাংশ সম্পন্ন হৈছে। ভাৰতবৰ্ষৰ হিচাপত সদস্যভৰ্তিৰ ক্ষেত্ৰত শীৰ্ষত আছে অসম। মুখ্যমন্ত্ৰীয়ে সংবাদমাধ্যমক তথ্য দাখিল কৰি কয় যে ৭১টা সমষ্টিত ৪০ হাজাৰৰ সীমা আমি অতিক্ৰম কৰিছে। জিলা ভিত্তিত চাবলৈ গ'লে শীৰ্ষত আছে ডিব্ৰুগড়। বাকী ৯০টা সমষ্টিত ৪০ হাজাৰৰ বাবে বাকী ৰৈ যোৱা সীমাৰ লক্ষ্য পাৰ কৰিম বুলি কয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে সদস্যভৰ্তিত মন্থৰ হোৱা বুলি উত্থাপিত অভিযোগক আওপকীয়াকৈ স্বীকাৰ কৰি কয় যে সংসদীয় সমষ্টি কোকৰাঝাৰ, ধুবুৰী, কৰিমগঞ্জ আৰু ডিফুত সদস্যভৰ্তি কম হৈছে। তাৰ বাবে মুখ্যমন্ত্ৰীয়ে নেটৱৰ্কক দোষ দিয়ে। কিছু ঠাইত অলপ নেটৱৰ্কৰ অসুবিধা আছে। বৰ্তমান অকল অনলাইন সদস্য ভৰ্তিৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে। আনহাতে উজনিৰ দুটা সমষ্টি বাদ দি বাকী সমষ্টিত ৪০ হাজাৰৰ সীমা পাৰ হৈছে। মুখ্যমন্ত্ৰীয়ে আন এক দাবী কৰি কয় যে ২০১৯ চনত ৪২ লাখ হৈছিল সদস্য ভৰ্তি। ইয়াৰে অনলাইন আছিল ১৮ লাখ আৰু বাকীখিনি অফলাইন আছিল। মুখ্যমন্ত্ৰীয়ে নেটৱৰ্কৰ সমস্যাৰ দোহাই দি কয় যে মোবাইলৰ সমস্যাৰ বাবে মাকুম, টীয়ক আদি সমষ্টিত সদস্য ভৰ্তিত অসুবিধা হৈছে। যোৰহাট, বোকাখাত, মাকুম, টীয়ক আৰু তিতাবৰ সমষ্টিত সদস্যভৰ্তি ৪০ হাজাৰ হোৱা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## ৫৬ বছৰ পিছত উদ্ধাৰ অক্ষত

সমীপত বিমানখনৰ সৈতে যোগাযোগ হেৰুৱাই পেলায় বিমান নিয়ন্ত্ৰণ কক্ষই। ইয়াৰ পিছতে ৰ'টাং পাছত যাত্ৰীসহ দুৰ্ঘটনাগ্ৰস্ত হয় বায়ুসেনাৰ বিমানখন। পৰৱৰ্তী সময়ত দশক দশক ধৰি বৰফৰ বুকুত সমাধিস্থ হৈ পৰে যাত্ৰী আৰু বিমানখনৰ ধ্বংসাৱশেষ। ইফালে ২০০৩ চনত অটল বিহাৰী বাজপেয়ী ৰক ক্লাইম্বিং ট্ৰেইনিং চেণ্টাৰৰ প্ৰশিক্ষাৰ্থীয়ে ৰ'টাং পাছত প্ৰথমে বিমানখনৰ বৰফেৰে আবৃত ধ্বংসাৱশেষ উদ্ধাৰ কৰে। তাৰ পিছৰে পৰা ভাৰতীয় সেনাৰ ডোগ্ৰা স্কাউট টিমে অঞ্চলটোত কেইবাটাও উদ্ধাৰ অভিযান চলাই আহিছে। কিন্তু এই সকলো প্ৰচেষ্টাৰ পিছতো এতিয়ালৈকে মাত্ৰ পাঁচটা মৃতদেহহে উদ্ধাৰ কৰা হৈছে। এইবাৰ আৰু চাৰিটা মৃতদেহ উদ্ধাৰ কৰে চন্দ্ৰভাগ পৰ্বত অভিযানৰ সদস্যসকলে। ফলত মুঠ উদ্ধাৰ হোৱা মৃতদেহৰ সংখ্যা ৯ টালৈ বৃদ্ধি পাইছে। উল্লেখ্য যে, উদ্ধাৰ হোৱা চাৰিটা মৃতদেহৰ ভিতৰত তিনিটা চিনাক্ত কৰা হৈছে। তেওঁলোক হ'ল মালখান সিং, চিপাহী নাৰায়ণ সিং আৰু থমাছ চৰণ। চতুৰ্থজন ব্যক্তিৰ চিনাক্তকৰণ হোৱা নাই যদিও পৰিয়ালৰ লোকক অৱগত কৰা হৈছে। লোছাৰত মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহ পৰিয়ালৰ হাতত গতাই দিয়া হ'ব। ভাৰতীয় সেনাৰ সূত্ৰ অনুসৰি অহা ১০ অক্টোবৰলৈকে এই উদ্ধাৰ অভিযান চলি থাকিব। এই ঘটনাক লৈ সমগ্ৰ দেশতে চাঞ্চল্যৰ সৃষ্টি হৈছে।

## ১৪০ কোটিটকীয়া কেলেংকাৰীৰ তদন্তৰ দাবীত পুনৰ পত্ৰ প্ৰদান


# প্ৰধানমন্ত্ৰী-ৰাষ্ট্ৰীয় আয়োগৰ পত্ৰক গুৰুত্ব নিদিলে ৰাজ্য প্ৰশাসনে

**ই-সংবাদ, ১ অক্টোবৰঃ** অসমৰ অনুসূচিত জাতিৰ লোকসকলৰ অধিকাৰৰ হকে সংগ্ৰাম কৰি অহা অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ নাম সংগঠনটোৱে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগক অসমত অনুসূচিত জাতিৰ নামত সংঘটিত বিয়াগোম দুৰ্নীতিৰ কথা অৱগত কৰি কঠোৰ ব্যৱস্থা লোৱাৰ দাবী উত্থাপন কৰিছিল। চলিত বৰ্ষৰ ৭ আগষ্টত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ক অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে স্মাৰক পত্ৰ প্ৰদান কৰি অসমত সংঘটিত বিয়াগোম কেলেংকাৰীৰ সৱিশেষ অৱগত কৰে। তাৰ পাছতে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে বিষয়টোক গুৰুত্বসহকাৰে লৈ ততাতৈয়াকৈ অসম চৰকাৰক কঠোৰ নিৰ্দেশ দি ৮ আগষ্টত এক পত্ৰ প্ৰদান কৰে। PMOPG/D/2024/0165174 নম্বৰৰ পত্ৰ যোগে অসম চৰকাৰৰ যুটীয়া সচিৱ এচিএছ ডৰথী চুচিয়াংক বিষয়টো তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। তাৰ লগতে সংগঠনটোৱে ৮ আগষ্টত একেই অভিযোগ অনুসূচিত জাতিৰ ৰাষ্ট্ৰীয় আয়োগক পত্ৰ প্ৰদান কৰে। ৰাষ্ট্ৰীয় আয়োগে ২১ আগষ্টত ESDW/BP/AS/2024/255473 নম্বৰৰ পত্ৰ যোগে অভিযোগক গুৰুত্বসহকাৰে লৈ ১৫ দিনৰ ভিতৰত তদন্ত সমাপ্ত কৰিবলৈ অসম চৰকাৰৰ মুখ্য সচিবক নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰীয় আয়োগে অনুসূচিত জাতিয়ে ভাৰতৰ সংবিধানৰ ৩৩৮ নং অনুচ্ছেদৰ অধীনত লাভ কৰা ক্ষমতা অনুসৰি বিষয়টো গুৰুত্ব দিবলৈ কয় মুখ্য সচিবক। ১৫ দিনৰ ভিতৰত পদক্ষেপ লৈ সমস্ত তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিছিল আয়োগে। কিন্তু সকলো বেবেৰিবাং হৈ পৰিছিল। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু ৰাষ্ট্ৰীয় আয়োগে প্ৰদান কৰি গুৰুতৰ নিৰ্দেশৰ পত্ৰখন আজিলৈ পেলাই থৈছে মুখ্য সচিব আৰু দায়িত্বপ্ৰাপ্ত নড়েল বিষয়াই। দেশৰ প্ৰধানমন্ত্ৰী আৰু সাংবিধানিক সংস্থা ৰাষ্ট্ৰীয় আয়োগৰ নিৰ্দেশক ভেঙুচালি কৰাত সৰৰ হৈছে সংগঠনটো। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু আয়োগৰ নিৰ্দেশক যে গুৰুত্ব প্ৰদান কৰা সেই কথা অৱগত কৰি পুনৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু আয়োগক পত্ৰ প্ৰদান কৰিছে। অসম অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু আয়োগৰ নিৰ্দেশক যে ৰাজ্য প্ৰশাসনে গুৰুত্ব প্ৰদান কৰা নাই সেই বিষয়টো পৃথকে পৃথকে পত্ৰ প্ৰদান কৰি ৩০ ছেপ্টেম্বৰত পুনৰ অভিযোগ দাখিল কৰে। সংগঠনটোৱে কয় যে অসমত অনুসূচিত জাতিৰ উন্নয়নৰ নামত ৰূপায়িত প্ৰতিটো আঁচনিৰ দ্বাৰা মাথো কেইজনমান লোকৰ উন্নয়ন হৈছে। অনসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ সঞ্চালক কুলশ্ৰী নাথ, ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰৰ নাম উল্লেখ কৰিছে সংগঠনটোৱে। নেতা দ্বয়ে কয় যে দেশৰ প্ৰধানমন্ত্ৰীয়ে দিয়া নিৰ্দেশৰ পাছতো দুৰ্নীতিৰ বিৰুদ্ধে সঠিক তদন্ত হোৱা নাই। সংগঠনটোৱে কয় যে ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ আৰু অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ে ২০২২-২৩ বৰ্ষত আঁচনি যুগুত কৰি অনুসূচিত জাতিৰ হিতাধিকাৰীক একোটাকৈ টিভি, টিভি থবলৈ প্লাষ্টিকৰ টেবুল-চকী, প্লাষ্টিকৰ মগ, বাল্টি, প্লাষ্টিকৰ কণ্টেইনাৰ, গেছৰ চৌকা, প্ৰেচাৰ কুকাৰ দিয়াৰ ব্যৱস্থা কৰিছিল। টিভি আৰু পাকঘৰৰ সামগ্ৰী প্ৰদানৰ নামত ১৪০ কোটি টকা আৱণ্টন দিছিল। ঠিকা লাভ কৰিছিল বিতৰ্কিত ঠিকাদাৰ নুপূৰ চাহাই। হিতাধিকাৰীক দিয়া প্লাষ্টিকৰ চকীসমূহ ইমানে পাতল যে মানুহে বহিবই নোৱাৰে। টেবুলখনৰো অৱস্থা একেই। টিভিসমূহো ব্ৰেণ্ডেড নহয় আৰু অত্যন্ত কম দামৰ। বজাৰত ৬০০ টকাত লাভ কৰা প্ৰেচাৰ কুকাৰ ২৭০০ টকাত কিনা দেখুৱাইছে। ২৩ হাজাৰ টকীয়া টিভি ৫৯ হাজাৰ টকাত কিনা দেখুৱাইছে। এই সামগ্ৰীসমূহ নিম্ন মানদণ্ডৰ আৰু ব্যৱহাৰৰ অনুপযোগী। সংগঠনটোৱে স্পষ্ট কৰি কয় যে এই দুৰ্নীতিত জড়িত সঞ্চালিকা কুলশ্ৰী নাথ, সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰ। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়টোৰ ত্ৰিমূৰ্তি কুলশ্ৰী নাথ, ষ্টেনোগ্ৰাফাৰ সুবৰ্ণময় দেৱ আৰু প্ৰকল্প বিষয়া লিটন মিত্ৰৰ বিৰুদ্ধে তদন্ত কৰক ৰাজ্য চৰকাৰে। ইপিনে সংগঠনটোৱে বিবৃতি যোগে আন এক গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে সুবৰ্ণময় দেৱ নামৰ ষ্টেনোগ্ৰাফাৰজন প্ৰায় ৫০ কোটি টকাৰ সম্পত্তিৰগৰাকী। নিবিদাৰ নিয়ন্ত্ৰণ আৰু ঠিকাদাৰ সুবৰ্ণময় দেৱৰ কব্জাত। সুবৰ্ণময় দেৱৰ বিৰুদ্ধে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, আয়কৰ বিভাগ আৰু অসমৰ চিআইডিৰ দ্বাৰা তদন্ত কৰক। প্ৰায় ৫০ হাজাৰ টকা দৰমহা পোৱা এজন লোকে গুৱাহাটীৰ কেইবাঠাইত মাটি-ঘৰ, ফ্লেটসহ ইমান সম্পত্তি গঢ়িলে কেনেকৈ? আয়তকৈ তেওঁৰ সম্পত্তি অধিক। সেয়েহে আয় বহিৰ্ভূত সম্পত্তিৰ তদন্ত কৰিবলৈ কেন্দ্ৰীয়-ৰাজ্যিক সংস্থাক নিৰ্দেশ দিবলৈ দাবী জনাই অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ষ্টেনোগ্ৰাফাৰ পদৰ প্ৰয়োজনীয়তা নাই বুলি উল্লেখ কৰি সুবৰ্ণময় দেৱক শীঘ্ৰে ডেপুটেচনত অন্য কাৰ্যালয়লৈ বদলি কৰাৰ দাবী জনায়। ইপিনে প্ৰকল্প বিষয়া লিটন মিত্ৰক তেওঁৰ নিজৰ বিভাগ অৰ্থনৈতিক পৰিসংখ্যা বিভাগলৈ বদলি কৰিবলৈ দাবী জনাইছে। যদি সংগঠনটোৰ দাবী মানি শীঘ্ৰে ১৪০ কোটি টকীয়া কেলেংকাৰীৰ তদন্ত কৰি কেলেংকাৰীত জড়িতসকলক গ্ৰেপ্তাৰ কৰা নহয় তেন্তে দিল্লীৰ জন্তৰ-মন্তৰত আন্দোলন কৰিবলৈ সাজু অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ।

# মাজুলীত 'শৰতৰ আবেলিত কবিতাৰ আমোলমোল শেৰালি' শীৰ্ষক কবিতাৰ অনুষ্ঠান সম্পন্ন

**যোৰহাট, ১ অক্টোবৰঃ** উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ কাব্যানুষ্ঠান অসম কবি সন্মিলনৰ অন্তৰ্গত মাজুলী জিলা কবি সন্মিলনৰ উদ্যোগত যোৱা ২৮ ছেপ্টেম্বৰত "শৰতৰ আবেলিত কবিতাৰ আমোলমোল শেৱালি" শীৰ্ষক ৱেবিনাৰ সভা অনুষ্ঠিত কৰা হয়। মাজুলী জিলা কবি সন্মিলনৰ সম্পাদক পাপু বৰা আৰু যুটীয়া সম্পাদক শংকুসিদ্ধ নাথে কাৰিকৰী শিল্পকলাৰে আঁতধৰি পৰিচালনা কৰা দৃশ্য-শ্ৰাব্য-ভ্ৰাম্যভাষী বিশেষ ডেৰ ঘণ্টাৰ উক্ত অনুষ্ঠানৰ উদ্বোধন কৰে অসমৰ এগৰাকী পৰিচিত চিকিৎসক কবি ডাঃ নিৰঞ্জন দাসে। মাজুলী জিলা কবি সন্মিলনৰ সভাপতি ৰমেশ চন্দ্ৰ শইকীয়াৰ সঞ্চালনাত মাজুলীৰ নতুন খলিহামাৰিৰ 'কাব্য-কানন'ৰ পৰা নিয়ন্ত্ৰিত সভাখনত লক্ষীমপুৰ জিলা কবি সন্মিলনৰ সম্পাদক ডঃ তৰুণ চন্দ্ৰ বৰা, মাজুলী জিলা কবি সন্মিলনৰ উপসভাপতি মুনিন টায়ে, সংবাদ সেৱক জিতুল কুমাৰ গগৈ, শিক্ষক কৌশল্যা বায়ন শইকীয়া, বিমান সাগৰ নাথে বিশিষ্ট অতিথি কবি হিচাপে অংশগ্ৰহণ কৰি কবিতা পাঠ কৰে। জিলা সম্পাদক কবি পাপু বৰাই উদ্দেশ্য ব্যাখ্যা কৰা বৰ্ণিল সভাখনৰ আৰম্ভণিতে অৰ্পিতা হাজৰিকাৰ আধুনিক গীত, ঢোল-বাদক জীৱন গন্ধীয়া ওজাৰ খুহুতীয়া কবিতা, পদ্ম বৰাৰ গীতি-কবিতাৰ লগতে একুঁৰি কবিৰ কবিতা পাঠে অনন্য মাত্ৰা প্ৰদান কৰে। সাংবাদিকদ্বয় বিকাশ শইকীয়া, ইভাৰাণী গোস্বামী, অনিৰ্বাণ দত্ত, ৰাজেন পায়েং, ৰেবিকা বৰুৱা, নিতু শৰ্মা প্ৰমুখ্যে ভালেসংখ্যক সাহিত্যপ্ৰেমীৰ অংশগ্ৰহণ কৰে।

# সৰ্থেবাৰী ৩০খন বিছনাযুক্ত চিকিৎসালয়ত স্বাস্থ্য সেৱাৰ ফোঁপোলা স্বৰূপ




**ই-সংবাদ, গুৱাহাটী, ১ অক্টোবৰঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ শোচনীয় অৱস্থাৰ বিৰুদ্ধে সংবাদমেলত সৰৱ হ'ল আম আদমী পাৰ্টিৰ জ্যেষ্ঠ নেত্ৰী পুনম গগৈ। আজি গণেশগুৰিস্থিত আপৰ কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত সৰ্থেবাৰীৰ ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত এগৰাকী কৰ্মৰত চিকিৎসক অসুস্থ হৈ ঢলি পৰাৰ ঘটনাত উদ্বেগ প্ৰকাশ কৰে। চিকিৎসালয়খনত একেৰাহে ৭ দিন ধৰি মাত্ৰ এজন চিকিৎসকে দিনে নিশাই সেৱা আগবঢ়াবলগীয়া পৰিস্থিতি সৃষ্টিৰ বাবে স্বাস্থ্য বিভাগক তীব্ৰ সমালোচনা কৰে আপৰ মুখপাত্ৰ পুনম গগৈয়ে। উল্লেখ্য যে সোমবাৰে ডাঃ আব্দুল জমিৰ আলী নামৰ চিকিৎসক জনে হাস্পতালতে অসুস্থ হৈ ঢলি পৰিছিল। এই সন্দৰ্ভত আপৰ নেত্ৰী গৰাকীয়ে কয়, "বৰ্তমান শাসনাধিষ্ঠিত চৰকাৰে হাজাৰ হাজাৰ কোটি টকাৰ ঋণ লৈ হিতাধিকাৰী সৃষ্টি তথা আন্তঃগাঁথনি নিৰ্মাণৰ নামত ব্যয় কৰিছে। কিন্তু স্বাস্থ্যখণ্ডৰ উন্নয়নৰ বাবে কোনো ধৰণৰ বাস্তৱ পদক্ষেপ গ্ৰহণ কৰা নাই। স্বাস্থ্য বিভাগে ৰাজ্যৰ চিকিৎসালয় সমূহত ৰোগীৰ অনুপাতে প্ৰয়োজন অনুসৰি চিকিৎসক, নাৰ্ছ বা অন্যান্য কৰ্মচাৰীৰ অভাৱ পূৰণ কৰিব পৰা নাই। তাৰ বাবেই এনে দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হৈছে। " এনে অৱস্থাত অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ সংকট দূৰ কৰাৰ বাবে দিল্লীৰ আম আদমী পাৰ্টিৰ চৰকাৰৰ স্বাস্থ্য বিভাগৰ পৰা আৰ্হি গ্ৰহণ কৰিবলৈ আহ্বান জনায় আপৰ নেত্ৰী গৰাকীয়ে।


# শিৱসাগৰত ভয়াৱহ পথ দুৰ্ঘটনা

**ই-সংবাদ, ১ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ জয়সাগৰৰ মানকটা তিনিআলিৰ সমীপৰ মঙলবাৰে নিশা প্ৰায় ১০-২০ বজাত এক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয় । এই পথ দুৰ্ঘটনাত দুজন যুৱক থিতাতে নিহত হয়। প্ৰাপ্ত বাতৰি মতে নিশা প্ৰায় ১০-০০ বজাত দুই বন্ধু ক্ৰমে ঢুলীয়াপাৰ গাঁৱৰ নৱজ্যোতি বৰা (৩১) আৰু মৌপুৰীয়া গাঁৱৰ বিৰাজ হাজৰিকা (৩৩)ই ঐতিহাসিক পদুগড়ৰ দিশৰ পৰা মানকটা তিনিআলিৰ দিশে এ এচ ০৪-এ ই ৯৩৬৮ নম্বৰৰ ইয়ামাহা বাইক তীব্ৰ বেগেৰে চলাই আহি পথৰ কাষৰ এজোপা গছত প্ৰচণ্ড জোৰত খুন্দা মাৰি দুই বন্ধু বহু দূৰৈত ছিটিকি পৰে।

## মহঙা হৈছে মহাবাহুৰ সৌন্দৰ্য্য উপভোগ কৰা

# ষ্টাৰবাক্সৰ কাণ্ড! চাহ-কফি নাখালেও মহাবাহুত দিব লাগে ৮০ টকা

**ই-সংবাদ, ১ অক্টোবৰঃ** গুৱাহাটীৰ পানবজাৰত বিশ টকাৰ টিকট কাটি মহাবাহুৰ নৈসৰ্গিক দৃশ্য উপভোগ কৰি ষ্টাৰবাক্সত একো নোখোৱাকৈ উভতি আহিলেই আপুনি ভৰিব লাগিব আশী টকাৰ অতিৰিক্ত জৰিমনা। শেহতীয়াকৈ গুৱাহাটী মহানগৰ জিলাৰ পূৰ্বৰ উপায়ুক্তৰ পানবজাৰৰ চৰকাৰী বাসভৱনটোৰ সৌন্দৰ্য্যবৰ্ধন কৰি 'মহাবাহু ৰিভাৰ হেৰিটেজ চেন্টাৰ' নাম দি ষ্টাৰবাক্স নামৰ এটা বহুজাতিক কোম্পানীক অতি কৌশলগতভাৱে গতাই দিছে অসমৰ বিজেপি চৰকাৰে। কিন্তু বহুজাতিক কোম্পানীৰ হাতত পৰাৰ পিছতে এতিয়া সাধাৰণ জনতাৰ বাবে মহঙা হৈ পৰিছে মহাবাহুৰ সৌন্দৰ্য্য উপভোগ কৰাটো। মহাবাহুৰ পাৰৰ এই নৈসৰ্গিক উদ্যানখনলৈ প্ৰৱেশ-প্ৰস্থানৰ বাবে বহুজাতিক কোম্পানীটোৱে আৰোপ কৰা ব্যৱসায়িক চৰ্তই তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি কৰিছে মহাবাহুৰ ৰূপেৰে বুকু শাত পেলাব বিচৰাসকলক। উল্লেখ্য যে, এই মহাবাহু উদ্যানখনত প্ৰৱেশ কৰাৰ নামত প্ৰতিজন ব্যক্তিয়ে ক্ৰয় কৰিব লাগে ২০ টকীয়া টিকট। কিন্তু এই টিকট ক্ৰয় কৰি ভিতৰত প্ৰৱেশ কৰাৰ পিছতহে আৰম্ভ হয় ষ্টাৰবাক্সৰ লুণ্ঠন। এই উদ্যানৰ অভিনৱ দৃশ্য উপভোগ কৰিবলৈ যোৱা প্ৰতিজনৰ বাবেই ষ্টাৰবাক্সৰ খাদ্য খোৱাটো বাধ্যতামূলক কৰা হৈছে। উদ্যানৰ পৰা ওলাই অহাৰ সময়ত প্ৰস্থান গেটত লোকসকলে দেখুৱাব লাগে ভিতৰত ষ্টাৰবাক্সৰ পৰা খাদ্য খোৱাৰ বিল। যদি কোনো লোকে ষ্টাৰবাক্সৰ পৰা খাদ্য নাখায়, তেন্তে প্ৰস্থান গেটত আশী টকা অতিৰিক্ত জৰিমণা আদায় দিয়াৰ আজব চৰ্ত আৰোপ কৰিছে এই বহুজাতিক কোম্পানীটোৱে। বিজেপি চৰকাৰৰ কৌশলী সমৰ্থনত এই বহুজাতিক কোম্পানীটোৱে সাধাৰণ মানুহৰ ওপৰত চলোৱা এনে লুণ্ঠনৰাজক লৈ এতিয়া বিভিন্নজনে অসন্তুষ্টি ব্যক্ত কৰিছে। ইফালে কোম্পানীটোৰ এনে আজব চৰ্তৰ বাবে মহাবাহুৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ গৈও বিমুখ হৈ উভতিবলগীয়া হৈছে বহু লোক। এনে পৰিপ্ৰেক্ষিতত ষ্টাৰবাক্সে আৰোপ কৰা চৰ্তৰ ওপৰত লেকাম টানিবলৈও চৰকাৰক দাবী জনাইছে বিভিন্নজনে।



বান-খহনীয়া সমস্যাক লৈ দিল্লীত ৩ কেন্দ্ৰীয় মন্ত্ৰীক সাংসদ ৰকিবুল হুছেইনৰ স্মাৰক পত্ৰ প্ৰদান

# এন আৰ চিক লৈ ৰাজ্যপালক আপ নেতা ডাঃ ভবেন চৌধুৰীৰ পত্ৰ

**ই-সংবাদ, গুৱাহাটী, ১ অক্টোবৰঃ** ৰাজ্যৰ ৰাজকোষৰ পৰা প্ৰায় ১৬০০ কোটি টকা ব্যয় কৰি উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত অসমত প্ৰস্তুত কৰা হৈছিল ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী, চমুকৈ এন আৰ চি। কিন্তু এন আৰ চি প্ৰস্তুত কৰা স্বত্বেও অসম চৰকাৰে ৰাজ্যখনত এন আৰ চি বলবৎ কৰিব পৰা নাই। আজি এই সন্দৰ্ভত অসমৰ ৰাজ্যপালক পত্ৰ প্ৰেৰণ কৰে আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় যুটীয়া সম্পাদক ডাঃ ভবেন চৌধুৰীয়ে ।ৰাজ্যপাললৈ প্ৰেৰণ কৰা পত্ৰখনত তেওঁ উল্লেখ কৰে যে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বহিঃৰাজ্যত গৈ সমগ্ৰ দেশৰ বাবে এন আৰ চি প্ৰস্তুত কৰাৰ কথা ব্যক্ত কৰিছে। কিন্তু নিজ ৰাজ্য অসমত মুখ্যমন্ত্ৰী গৰাকীয়ে এন আৰ চি প্ৰস্তুত কৰাৰ পিচতো কাৰ্যকৰী কৰিব পৰা নাই। সেয়েহে প্ৰথমে অসমত এন আৰ চি কাৰ্য্যকৰীকৰণৰ জৰিয়তে দেশৰ আন ৰাজ্যৰ বাবে দৃষ্টান্ত স্থাপন কৰিবলৈ দাবী জনায়। তদুপৰি অসমবাসীৰ বৃহত্তৰ স্বাৰ্থত এন আৰ চি ৰূপায়নৰ ক্ষেত্ৰত ডাঃ ভবেন চৌধুৰীয়ে ৰাজ্যপালৰ হস্তক্ষেপ কামনা কৰে।

# সমগ্ৰ অসমত মহালয়াৰ ব্যাপক প্ৰস্তুতি

# মহালয়াঃ আজি ধৰালৈ নামিব দুৰ্গতিনাশিনী দেৱী দুৰ্গা

**ই-সংবাদ, বেবেজীয়া, ১ অক্টোবৰঃ** শৰতৰ এই প্ৰাণোময় বতৰত প্ৰকৃতিয়ে ন ন ৰূপ ধাৰণ কৰিছে । ঘাইকৈ কঁহুৱা ফুল আৰু শেৱালিৰ তলসৰা মাদকতাই শৰতৰ আগমনৰ জাননি দিছে । শৰতৰ আগমনৰ লগে লগেই যেন আৰম্ভ হয় শাৰদীয় দুৰ্গোৎসৱৰ বতৰ । শৰতে আগলি বতৰা দিয়ে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাৰ মৰ্ত্যলৈ আগমনৰ । সেয়ে এতিয়া চহৰ-নগৰ, গাঁও-ভুই সকলোতে দেৱী দুৰ্গাক আদৰা তথা পূজনৰ বাবে দেখা গৈছে সকলোৰে মাজত ব্যস্ততা । তদ্ৰুপ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাটো পূজা কমিটিসমূহ ব্যস্ত হৈ পৰিছে মা দুৰ্গাৰ আগমন অৰ্থাৎ মহালয়াৰ বাবে । পূজা কমিটি সমূহে ইতিমধ্যে আৰম্ভ কৰিছে পূজাৰ প্ৰয়োজনীয় প্ৰস্তুতি । অত্যাৱশ্যকীয় সামগ্ৰীৰ অত্যাধিক মূল্য বৃদ্ধিয়ে সৰ্বসাধাৰণ লোকসকলক ব্যাপক সমস্যাৰ সন্মুখিন কৰালেও ৰাজ্যৰ সৰ্ব প্ৰান্তৰ দৰে এতিয়া নগাঁৱতো আৰম্ভ হৈছে শাৰদীয় দুৰ্গোৎসৱৰ যুদ্ধকালীন প্ৰস্তুতি । স্বৰ্গৰ পৰা ধৰাৰ বুকুলৈ মা দুৰ্গাৰ আগমনৰ প্ৰাকক্ষণত মা-দুৰ্গাক আদৰাৰ প্ৰস্তুতি চলিছে জিলাখনৰ পূজা মণ্ডপসমূহত । পূজা মণ্ডপসমূহ চাফ-চিকুন কৰি, চুণ-তেল দি আটকধুনীয়া কৰি তুলিছে । মৃঠতে মহালয়াত ধৰাৰ বুকুলৈ নামি আহিবলগীয়া দুৰ্গতিনাশিনীক আদৰাৰ বাবে অপেক্ষাৰত দুৰ্গা পূজা সমিতি সমূহৰ মাজত দেখিবলৈ পোৱা গৈছে ব্যাপক উৎসাহ । আচলতে, মহালয়াৰ দিনটোত হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ উৎসৱ শাৰদীয় দুৰ্গোৎসৱৰ আৰম্ভণিৰ পূৰ্বে চণ্ডীপাঠৰ মাধ্যমেৰে দেৱী দুৰ্গাক আমন্ত্ৰণ জনোৱা হয় । তদুপৰি দুৰ্গাপূজাৰ পৰাই প্ৰতিটো ক্ষণৰ গণনা আৰম্ভ হয় । হিন্দু ধৰ্ম অনুসৰি, মহালয়াত স্বয়ং দেৱী-দেৱতা পূজাৰ বাবে জাগ্ৰত হয় । ইয়াৰ বিপৰীতে সৰ্বত্ৰে দৃশ্যমান হয় এক মনোমোহা প্ৰাণোময় পৰিবেশৰ



দেৱী দুৰ্গাৰ প্ৰতিমাত শেষ পৰশ, ফটো গুৱাহাটীৰ

# মাজুলীত সদৌ অসম ভূপেন্দ্ৰ সংগীত সন্মিলন বৰ্ণাঢ্য আয়োজন

**ই-সংবাদ, মাজুলী, ১ অক্টোবৰঃ** মাজুলীৰ এক অ আজি উদযাপন সমিতিয়ে এক সংবাদমেল সম্বোধন কৰে।গ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান সন্মিলিত শিল্পী সমাজ, মাজুলীৰ উদ্যোগত আৰু অসম সাংস্কৃতিক মহাসভা, মাজুলী জিলা সমিতিৰ সহযোগত অহা ৫ আৰু ৬ অক্টোবৰ, তাৰিখে মাজুলীৰ কমলাবাৰীত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে সদৌ অসম ভূপেন্দ্ৰ সংগীত সন্মিলন। সুধাকণ্ঠ ড' ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিক নৱ-প্ৰজন্মৰ সমুখত শুদ্ধ ৰূপত উপস্থাপন কৰাৰ লগতে তেখেতৰ দ্বাৰা ৰচিত আৰু সুৰাৰোপিত গীতসমূহৰ প্ৰতি উঠি অহা প্ৰজন্মক আকৰ্ষিত কৰাৰ লক্ষ্যেৰে আয়োজন কৰা এই সন্মিলনৰ সম্পৰ্কত

সন্মিলিত শিল্পী সমাজৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকতে সংবাদমেলত কয়- অহা ৫ অক্টোবৰ তাৰিখে ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু ৬ অক্টোবৰত মাজুলী জিলা ভিত্তিত এখনি চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে এক মনোজ্ঞ স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হৈছে। দুটা শাখাত অনুষ্ঠিত হ'বলগীয়া ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ প্ৰয়াত বিভুচৰণ বৰুৱা সোঁৱৰণী সদৌ অসম ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা ১২ বছৰৰ উদ্ধাৰ (মুকলি শাখা) প্ৰতিযোগীৰ মাজত আৰু তেজস্বিতা বৰুৱা সোঁৱৰণী মাজুলী জিলা ভিত্তিক প্ৰতিযোগিতা ১৪ বছৰৰ অনুৰ্দ্ধৰ (নিম্ন শাখা) প্ৰতিযোগীৰ মাজত অনুষ্ঠিত হ'ব।

# বিটিচিৰ মুখ্য কাৰ্য্যবাহী পদৰ দৌৰত নাই বিশ্বজিৎ দৈমাৰী!



**ই-সংবাদ, কোকৰাঝাৰ, ১ অক্টোবৰঃ** নিৰ্বাচন আহিলেই বিশ্বজিৎ দৈমাৰী চীফ হ'ব বুলি বু-বু-বা-বা চলেই। কিন্তু বিটিচিৰ মুখ্য কাৰ্য্যবাহী পদৰ দৌৰত ব্যক্তিগতভাৱে মই নাই। এই মন্তব্য অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ। আজি কোকৰাঝাৰত সাংবাদিকৰ এক প্ৰশ্নোত্তৰত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আৰু কয় যে পৰৱৰ্তী বিটিচিৰ মুখ্য কাৰ্য্যবাহী সদস্য পদৰ দৌৰত থকা বুলি যিটো বিষয় চৰ্চিত হৈ আছে সেয়া চৰ্চাকাৰীসকলে হে ভালদৰে জানিব। আজিকালি সকলো কথা ৰাজনৈতিক দৃষ্টিৰে চাই আৰু যিহেতু বিজেপি দলে বিটিআৰত কাম কৰি আছে আৰু বিশ্বজিৎ দৈমাৰী যিহেতু বিজেপিৰ সদস্য সেয়ে হয়তো চৰ্চা চলে। ব্যক্তিগতভাৱে মই বিটিচিৰ মুখ্য কাৰ্য্যবাহী পদৰ দৌৰত নাই। দলে সিদ্ধান্ত ল'ব, মই ক'ত কেতিয়া থাকিব লাগিব। বিধানসভাৰ অধ্যক্ষ হিচাপে মই ৰাজনৈতিক কথা-বতৰা পাতিব নোৱাৰো। চাওতালৰ অলচিকি লিপিক স্বীকৃতি দিয়া উপলক্ষে কোকৰাঝাৰৰ কচুগাঁৱত অনুষ্ঠিত হোৱা অসম চৰকাৰক ধন্যবাদ জ্ঞাপন সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ পিছত আজি কোকৰাঝাৰ আৱৰ্ত ভৱনত সাংবাদিকৰ আগত বিপিএফ -ইউপিপিএল মিত্ৰতা সন্দৰ্ভতো কেতবোৰ মন্তব্য প্ৰদান কৰিছে বিশ্বজিৎ দৈমাৰীয়ে। তেওঁ কয় যে বৰ্তমান বিটিআৰত ইউপিপিএল আৰু বিপিএফৰ মিত্ৰতাক লৈ আলোচনা চলি আছে। দল দুটা একেলগ হ'ব পাৰিলে ভাল। কিন্তু সেয়া তেওঁলোকৰ দলীয় বিষয়। ইয়াৰ মাজতে কিন্তু বিজেপি দলেও বিটিআৰত নিজৰ কাম-কাজ কৰি আছে। ইউপিপিএল আৰু বিপিএফ দলে কেনেকৈ আসন ভাগ-বাটোৱাৰা কৰে নাইবা ৰাইজে নতুনত্ব কিবা বিচাৰিছে নেকি আদি বিষয়ৰ ওপৰতো নিৰ্ভৰ কৰিছে বুলি মন্তব্য কৰিছে অসম বিধানসভাৰ অধ্যক্ষ দৈমাৰীয়ে। ইপিনে অহা ডিচেম্বৰ মাহত কোকৰাঝাৰত অসম বিধানসভাৰ শীতকালীন অধিৱেশন সম্পন্ন হ'ব বুলি সদৰী কৰিছে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে।



## এডুকেয়াৰ ছিনিয়ৰ ছেকণ্ডাৰীত স্বচ্ছতা অনুষ্ঠান

**ই-সংবাদ, বেবেজীয়া, ১ অক্টোবৰঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰনালয়ৰ অধীনস্থ 'My Bharat' নগাঁও কেন্দ্ৰৰ সহযোগত যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত 'স্বচ্চতা হী সেৱা' কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে । ইয়াৰ অংশ হিচাপে মঙলবাৰে জিলাখনৰ জুৰীয়াৰ জুকাটি বজাৰস্থিত ইডুকেয়াৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত সেচ্ছাসেৱী সংগঠন 'একশ্যন ফৰ ৰুৰেল প'ৰ'ৰ সহযোগত 'স্বচ্চতা হী সেৱা' কাৰ্যসূচী অনুষ্ঠিত কৰা হয় । সেই অনুসৰি বৃক্ষৰোপন আৰু সজাজতা ৰেলীৰ লগতে এখনি মনোজ্ঞ আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয় । সেই অনুসৰি বৃক্ষৰোপন আৰু সজাজতা ৰেলীৰ লগতে এখনি মনোজ্ঞ আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয় । বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

### মায়ঙৰ পৰা পূৰ্বে উচ্ছেদিত লোক পুনৰ আহিছে উভতি

# দিনে-ৰাতিয়ে ট্ৰাকে ট্ৰাকে কচুতলিৰ উচ্ছেদিত আহিছে মৰিগাঁৱলৈ

**ই-সংবাদ, মৰিগাঁও, ১ অক্টোবৰঃ** কামৰূপ জিলাৰ কচুতলিত প্ৰশাসনে উচ্ছেদ কৰা লোকসকলৰ ব্যাপক হাৰত আগমন ঘটিছে চুবুৰীয়া জিলা মৰিগাঁৱলৈ। বিশেষকৈ জিলাখনৰ বৃহত্তৰ মায়ং অঞ্চললৈ অধিক হাৰত আগমন ঘটিছে এইসকল লোকৰ। নিতৌ ট্ৰাকে ট্ৰাকে আগমন ঘটা এইসকল লোকেৰে ভৰি পৰিছে মায়ং তথা ইয়াৰ দাতিকাষৰীয়া অঞ্চল। প্ৰধানকৈ ব্ৰহ্মপুত্ৰৰ কেতবোৰ চৰ-চাপৰি অঞ্চল এইসকল লোকৰ মূল লক্ষ্য হে পৰা বুলি জানিব পৰা গৈছে।আনহাতে এইসকল লোকৰ এনে অনাকাংক্ষিত আগমনে জিলাখনৰ খিলঞ্জীয়া লোকসকলৰ মাজত ব্যাপক ত্ৰাস তথা আশংকাৰ সৃষ্টি কৰিছে। পূৰ্বৰ তিক্ততাপূৰ্ণ পৰিৱেশৰ আশংকাত ইতিমধ্যে মায়ং অঞ্চলত নেতৃস্থানীয় লোকসকলৰ মাজত কেইবাখনো বৈঠক অনুষ্ঠিত হোৱাৰ খবৰ লাভ কৰা গৈছে। উল্লেখ্য যে, কেইবছৰমান আগলৈকে মায়ং আছিল বেদখলকাৰীৰ অন্যতম আকৰ্যস্থলী। স্থানীয় হাতীমুৰীয়া গণেশ মন্দিৰৰ সমীপৰ ভূমি একপ্ৰকাৰে সম্পূৰ্ণৰূপে নিগাজিকৈ দখল কৰি লৈছিল বেদখলকাৰীয়ে। পৰৱৰ্তী সময়ত প্ৰব্ৰজন বিৰোধী মঞ্চ, নাগৰিক সমাজকে ধৰি বিভিন্ন দল-সংগঠনৰ তীব্ৰ হেচাত এই অঞ্চলত প্ৰশাসনে অৱশেষত উচ্ছেদ চলাবলৈ বাধ্য হৈছিল। ইয়াৰে উচ্ছেদিত বৃহৎসংখ্যক লোকে ইয়াৰ পৰা গৈ কামৰূপ জিলাৰ কচুতলিত ঘৰ সাজিছিল। কিন্তু শেহতীয়াকৈ কচুতলি অঞ্চলতো প্ৰশাসনে উচ্ছেদ চলোৱাত হাতীমুৰীয়া গণেশ মন্দিৰ অঞ্চলৰ পৰা কচুতলিলৈ যোৱা লোকসকলৰ অধিকাংশ লোক




পুণৰ মায়ং অঞ্চললৈ উভতি অহা বুলি প্ৰচাৰ হোৱাত অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। এই লৈ শেহতীয়াকৈ হোৱা এক ৰাইজ মেলত কোনো কাৰণতে হাতীমুৰীয়া গণেশ মন্দিৰ অঞ্চল পুণৰ বেদখলকৰীৰ কবলত যাবলৈ নিদিয়ে বুলি সিদ্ধান্ত লৈ এই বিষয়ে আৰক্ষী-প্ৰশাসনকো অৱগত কৰে। স্থানীয় লোকৰ শেন চকুৰ বাবে এই পয্যন্ত অৱশ্যে উক্ত অঞ্চল এইসকল লোকে দখল কৰিবলৈ সাহস কৰা নাই। ইয়াৰ বিপৰীতে গছবাৰী আদি চৰত থকা পৰিয়াল, আত্মীয় স্বজনৰ সহযোগত বৰ্তমান এইসকলৰ একাংশই আশ্ৰয় লৈছে বুলি জানিব পৰা গৈছে। আনহাতে ঔগুৰি অঞ্চলতো কেইজনমান স্থানীয় লোকৰ উদ্যোগত তাতো একাংশই আশ্ৰয় লোৱা ঘটনাই এক চেপা উত্তেজনাৰ সৃষ্টি কৰিছে। ইফালে মায়ঙৰ ৰাইজৰ সতৰ্কতাৰ বাবে তাত বেদখল কৰিব নোৱাৰা সকলে জিলাখনৰ আন আন অঞ্চলত বিয়পি পৰাৰ আশংকা কৰিছে বিভিন্ন জনে। বিশেষকৈ জিলাখনৰ আন প্ৰান্তত আৱস্থিত চৰ-চাপৰি, গেজিং ৰিজাৰ্ভ, জনজাতীয় খণ্ড আৰু বেষ্টনী সমূহত বেদখলকাৰীয়ে খোপনি পোতাৰ আশংকা প্ৰকট হৈ পৰিছে। স্মাতব্য যে, মৰিগাঁও জিলাৰ জনজাতি খণ্ড আৰু বেষ্টনীৰ ১৮,০২২ বিঘাকৈ ভূমি বৰ্তমানে বেদখলকাৰীৰ কবলত আছে বুলি বিভিন্ন দল-সংগঠনে তথ্য ভিত্তিক প্ৰকাশ কৰি আহিছে। এনে সময়তে এই অঞ্চল সমূহত নতুনকৈ আকৌ বেদখল হ'ব পাৰে বুলি সৃষ্টি হোৱা আশংকাত এই অঞ্চল সমূহৰ লোক সমূহো সজাগ হৈ পৰা দেখা গৈছে।আনহাতে জিলাখনলৈ এনে ধৰণে নিতৌ প্ৰৱেশ কৰি থকা লোক সকলৰ মাজত কোনো সন্দেহজনক তথা অবৈধ নাগৰিকো থাকিব পাৰে বুলিয়ো শংকাৰ উদ্ভৱ হৈছে।

শেষ পৃষ্ঠা

# কাছাৰত সমবায় সমিতিয়ে চান কাঢ়িছে দৰিদ্ৰ হিতাধিকাৰীৰ চাউল

**ই-সংবাদ, শিলচৰ, ১ অক্টোবৰঃ** মূল্যবৃদ্ধিয়ে জনগণক কোঙা কৰিছে। ইপিনে চৰকাৰে দৰিদ্ৰৰ বাবে যোগান বিভাগে যোগান ধৰা খাদ্য-সামগ্ৰীৰ পৰা চান কাঢ়িছে সমবায় সমিতিয়ে। বৰাক উপত্যকাৰ কাছাৰ জিলাত খাদ্য সুৰক্ষা আইনৰ অধিনত চাউল বিতৰণক অভিযোগ উত্থাপন হৈছে। খাদ্য সুৰক্ষাৰ আইনৰ চাউল বিতৰণক ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে খোদ সমবায় সমিতিৰ অধিনৰ সুলভ মূল্যৰ এজেন্টৰ। সোণাই সমষ্টিৰ সোণাবাৰীঘাট সমবায় সমিতিৰ অন্তৰ্গত ছইদপুৰ তৃতীয় খণ্ডৰ সুলভ মূল্যৰ এজেন্ট গুলজাৰ হোছেইন লস্কৰে খাদ্য সুৰক্ষাৰ চাউলৰ বিতৰণত দুৰ্নীতি সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। এজেন্ট গুলজাৰ হোছেইন লস্কৰে হিতাধিকাৰীৰ বিপৰীতে সমবায় সমিতিয়ে চাউল কমকৈ দিয়াৰ অভিযোগ আনে। লস্কৰে কয় যে তেওঁলোকক প্ৰতিমাহে হিচাপতকৈ চাউল কমকৈ দিয়া হয়। ৰেচন কাৰ্ডৰ হিতাধিকাৰীক চাউল বিতৰণ কৰাৰ সময়ত হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হয়। কৃষ্ণপুৰ-মেহেৰপুৰ সমবায় সমিতিয়ে দীৰ্ঘদিন ধৰি হিচাপতকৈ কম চাউল দি আত্মসাৎ কৰি অহাৰ অহাৰ গুৰুতৰ অভিযোগ আনে এজেন্ট লস্কৰে। লস্কৰে এই মাহত ৭০ কেজি কম চাউল কমকৈ পোৱা বুলি কয়। চাউলৰ বস্তাসমূহতো কম আছে চাউল। লগতে সমবায় সমিতিয়ে যোগান ধৰা আটা জন্তুৱে খাব নোৱাৰে বুলি কয়।



# মৰিগাঁৱৰ ট্ৰাইবেল বেল্টৰ ১৮,০২২ বিঘা ভূমি বেদখলমুক্ত কৰক



**ই-সংবাদ, লাহৰীঘাট, ১ অক্টোবৰঃ** মৰিগাঁও জিলাৰ তিতাতলা,বৰিবন্ধা,লেলাইবড়ি আৰু মাহদলা তিৱা বসতি প্ৰধান গাঁও কেইখন এইবেলি তিৱা স্বায়ত্ব পৰিষদত নতুনকৈ অন্তভুক্ত হোৱাত জনজাতীয় লোক সকল উৎফুল্লিত হৈ উঠিছে।এই উপলক্ষে আজি তিতাতলা নামঘৰৰ প্ৰাংগণত এখন আদৰণি সভা অনুষ্ঠিত হয়।তিৱা স্বায়ত্ব পৰিষদৰ বিষয়ববীয়া আৰু তিৱা সকলৰ একমাত্ৰ বিধায়ক ৰমাকান্ত দেউৰীক আদৰণি জনোৱাৰ উদ্দেশ্যে অনুষ্ঠিত হয় আদৰণি সভাখন।উদযাপন সমিতিৰ সভাপতি সত্যজিৎ পাটৰৰ সভাপতিত্বত তিতাতলা, বৰিবন্ধা, লেলাইবড়ি আৰু মাহদলা তিৱা সমাজৰ উদ্যোগত অনুষ্ঠিত সভাখনত মুখ্য অতিথিৰূপে মৰিগাঁও সমষ্টিৰ বিধায়ক তথা ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী বিশিষ্ট বক্তাৰূপে তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ উপস্থিত থাকে। একেদৰে আমন্ত্ৰিত অতিথিৰূপে তিৱা স্বায়ত্ব পৰিষদৰ উপাধ্যক্ষ অংকুৰ দেউৰী, কাৰ্যবাহী সদস্য প্ৰণৱজ্যোতি মচৰং,সদস্য দুলাল ব্ৰহ্ম,মৰিগাঁও জিলা বিজেপিৰ সাধাৰণ সম্পাদক নিৰ্মল কোঁৱৰ, তিৱা সাহিত্য সভা মৰিগাঁও জিলাৰ সম্পাদক মৃণাল দেওৰজাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাখনত মুখ্য অতিথিৰূপে উপস্থিত থকা বিধায়ক ৰমাকান্ত দেউৰীয়ে বিগত ২৮ বছৰৰ পিছত উক্ত গাঁও কেইখন তিৱা স্বায়ত্ব পৰিষদৰ অন্তভুক্ত হোৱাত সকলো তিৱা ভাই বন্ধু সকলক আদৰণি জনাই আৰু উন্নয়নৰ ক্ষেত্ৰত অনাগত দিনত গাঁও কেইখনক অধিক গুৰুত্ব প্ৰদান কৰিব বুলিও আশ্বাস প্ৰদান কৰে। ইফালে এইবেলি ৰাজ্যখনৰ তিৱা স্বায়ত্ব পৰিষদৰ অন্তৰ্গত তিৱা বসতি প্ৰধান কেইবাখনো জিলাৰ মুঠ ১১৩ খনকৈ গাঁও স্বায়ত্ব পৰিষদত নতুনকৈ অন্তভুক্ত হৈছে যদিও আৰু ভালে কেইখন তেনে তিৱা বসতিপূৰ্ণ গাঁও পৰিষদৰ অন্তভুক্ত নোহোৱা বুলি কৈ ইয়াৰ বাবে স্বায়ত্ব পৰিষদৰ স্থানীয় একাংশ প্ৰতিনিধিক জগৰীয়া কৰে। অৱশ্যে অনাগত দিনত সেই গাঁও সমূহ অন্তভুক্ত কৰাৰ চেষ্টা অব্যাহত আছে বুলি বিধায়ক গৰাকীয়ে ভাষণত কয়।আনহাতে ৰাজ্যখনৰ ট্ৰাইবেল বেল্ট ব্লক সমূহত থকা বেদখল ভূমি সমূহ মুক্ত কৰিবলৈয়ো মুখ্যমন্ত্ৰী গৰাকীক সজোৰে দাবী জনাই আহিছে বুলি ভাষণত বিধায়ক গৰাকীয়ে কয়।একেদৰে তিৱা স্বায়ত্ব পৰিষদৰ কাৰ্যবাহী সদস্য তথা মৰিগাঁও জিলা ট্ৰাইবেল সংঘৰ সভাপতি প্ৰণৱজ্যোতি মছৰঙে হাতযোৰ কৰি তিৱা জনজাতীয় লোক সকলক কয় যে আপোনালোকে কেতিয়াও নিজৰ ভূমি বিক্ৰী নকৰিব।নিজৰ ভূমি অধিকাৰ নিজ নিজ হাত ৰাখক। একেদৰে জিলাখনত থকা ৭ টা ট্ৰাইবেল বেল্ট ব্লকৰ ১৮০২২ বিঘা ভূমি আজিও বেদখল মুক্ত হোৱা নাই।এই ক্ষেত্ৰত আমি চৰকাৰক দাবী জনাই আহিছোঁ যে উক্ত বেদখলকৃত ভূমি মুক্ত কৰি খিলঞ্জীয়া লোকক ভূমি অধিকাৰ আৰু অস্তিত্ব ৰক্ষাৰ আইগত ব্যৱস্থাৰ দাবী জনাই কাৰ্যবাহী সদস্য তথা ট্ৰাইবেল সংঘৰ জিলা সভাপতি গৰাকীয়ে।সেইদৰে তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰেও তিৱা স্বায়ত্ব পৰিষদত ২৮ বছৰৰ পাছত অন্তভুক্ত হোৱা আন আন জিলাৰ গাঁও সমূহৰ লগতে গৃহ জিলাখনৰ উক্ত গাঁও কেইখনৰ তিৱা ৰাইজক অনাগত দিনত উন্নয়নৰ দিশত গুৰুত্ব প্ৰদানৰ আশ্বাস প্ৰদান কৰে।ইফালে নিজৰ কৃষ্টি - সংস্কৃতি, ধৰ্মৰ এৰি অন্য ধৰ্মত দীক্ষা লোৱা কাৰ্যক তীব্ৰ নিন্দা কৰে।নিজৰ কৃষ্টি - সংস্কৃতিৰে জাতীয় অস্তিত্ব জীয়াই ৰাখিবলৈ সকলোকে আহ্বান জনায়।উল্লেখ্য যে আদৰণি সভাৰ আৰম্ভণিতে সিধাবাৰী গাঁৱৰ তিৱা মহিলা শিল্পী সকলে পৰিবেশন কৰা সমবেত সংগীতেৰে সভাৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়।ইয়াৰ পূৰ্বে মঞ্চ মুকলি কৰে স্থানীয় সমাজ সেৱক মঞ্জিল বৰদলৈয়ে, উদ্দেশ্য ব্যাখ্যা কৰে আদৰণি সমিতিৰ সম্পাদক নীলমণি বৰদলৈয়ে। উল্লেখ্য যে এই আদৰণি অনুষ্ঠানৰ উপলক্ষে তিৱা জনজাতীয় লোক সকলে এটি প্ৰীতিভোজ উপভোগ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
8876490887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)